# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 24-03-2024

**Time :** 18-00 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::**

নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচন সৰ্বাত্মক কৰি তোলাৰ লক্ষ্যৰে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ লোকসকলক নিজ বাসগৃহৰ পৰাই ভোটদানৰ সুবিধা প্ৰদান কৰিব। আয়োগে লোকসভা নিৰ্বাচনত ভোটাৰৰ অংশগ্ৰহণ বৃদ্ধিৰ লক্ষ্যৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে নিৰ্বাচনী কৰ্তব্যত নিয়োজিত কৰ্মীসকলে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু ৪০ শতাংশতকৈ অধিক প্ৰতিবন্ধী ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট গ্ৰহণৰ ব্যৱস্থা কৰিব। এই ব্যৱস্থাৰ অধীনত এজন ভিডিঅ'গ্ৰাফাৰৰ সৈতে দুজন ভোটগ্ৰহণকাৰী বিষয়াই যোগ্য ভোটাৰক সাক্ষাৎ কৰি ভোটাৰৰ বাসগৃহত ভোটদান প্ৰক্ৰিয়া ৰেকৰ্ড কৰিব। আনহাতে, এই দুই শ্ৰেণীৰ ভোটাৰে যদি নিজেই গৈ ভোটকেন্দ্ৰত ভোটদান কৰিব খোজে তেন্তে তেওঁলোকক ৰেম্প, অপেক্ষাৰ স্থান, হুইল চেয়াৰ, শৌচাগাৰ আদিৰ বিশেষ সুবিধা প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ দিনা প্ৰতিটো ভোটকেন্দ্ৰতে প্ৰতিবন্ধী ভোটাৰ আৰু জ্যেষ্ঠ নাগৰিক ভোটাৰসকলৰ বাবে উপযুক্ত পৰিবহণৰ সুবিধা কৰিবলৈও আয়োগে নিৰ্বাচনী বিষয়াসকলক নিৰ্দেশ দিছে। এই শ্ৰেণীৰ ভোটাৰসকলে **সক্ষম-ই চি আই এপ**ত পঞ্জীয়ন কৰি হুইল চেয়াৰৰ সুবিধা লাভৰ বাবে অনুৰোধ কৰিব পাৰিব। উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে এইবাৰ বিশেষভাৱে সক্ষম ভোটাৰসকলৰ প্ৰয়োজন সম্পৰ্কে ভোটগ্ৰহণকাৰী কৰ্মীসকলক সংবেদনশীল কৰি তোলাত অধিক গুৰুত্ব আৰোপ কৰিছে। সেই অনুসৰি বাকশক্তি আৰু শ্ৰৱণ শক্তিৰ দুৰ্বলতা থকা ভোটাৰসকলৰ বাবেও বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা  হ'ব। ভোটকেন্দ্ৰসমূহত দৃষ্টিহীন ব্যক্তিসকলে নিৰ্বাচন পৰিচালনা অধিনিয়ম-১৯৬১ৰ নিয়ম অনুসৰি নিজৰ হৈ ভোট দিবলৈ এগৰাকী সংগীক লগত নিব পাৰিব। তদুপৰি, যিহেতু ভোটকেন্দ্ৰসমূহত ব্ৰেইল লিপিত যুগুতোৱা প্ৰতিৰূপী বেলট কাকত উপলব্ধ হ'ব, সেয়েহে দৃষ্টিহীন ব্যক্তিসকলে এই বেলট ব্যৱহাৰ কৰিব পাৰিব আৰু সংগীৰ পৰা কোনো সহায় নোলোৱাকৈয়ে ই ভি এমৰ বেলট ইউনিটত ব্ৰেইল সুবিধা ব্যৱহাৰ কৰি নিজেই ভোটদান কৰিব পাৰিব।

০০০০

লখিমপুৰ লোকসভা সমষ্টিৰ বাবে কংগ্ৰেছে প্ৰাৰ্থী ঘোষণা কৰাৰ পাছতে নাওবৈচাৰ বিধায়ক ভৰত নৰহে অসম প্ৰদেশ কংগ্ৰেছৰ সংবাদ মাধ্যম বিভাগৰ অধ্যক্ষৰ পদ ত্যাগ কৰিছে। বিধায়কগৰাকীয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰালৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে, ভৰত নৰহৰ পত্নী তথা

প্ৰাক্তন সাংসদ ৰাণী নৰহ লখিমপুৰ লোকসভা সমষ্টিৰ কংগ্ৰেছৰ অন্যতম প্ৰাৰ্থীত্বৰ দাবীদাৰ আছিল। ৰাণী নৰহৰ পৰিৱৰ্তে উদয় শংকৰ হাজৰিকাক এই সমষ্টিৰ পৰা কংগ্ৰেছে প্ৰাৰ্থীত্ব প্ৰদান কৰিছে।

০০০০

আসন্ন লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। মৰিগাঁও জিলাৰ আয়ুক্ত তথা নিৰ্বাচনী বিষয়া দেৱাশীষ শৰ্মাই আজি জিলাখনৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। তেওঁ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ভোটাৰৰ বাবে প্ৰয়োজনীয় ন্যূনতম সা-সুবিধা যেনে- খোৱাপানী, শৌচালয় আদিৰ সু-ব্যৱস্থাৰ দিশো নিৰীক্ষণ কৰে। নিৰ্বাচনী বিষয়া গৰাকীয়ে জিলাখনত স্থাপন কৰা ষ্ট্ৰং ৰুম পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়। উল্লেখযোগ্য যে, নগাঁও লোকসভা সমষ্টিৰ মৰিগাঁও জিলাত অহা ২৬ এপ্ৰিলত অৰ্থাৎ দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ সম্পন্ন হ'ব। এইবাৰ জিলাখনত মুঠ ভোটকেন্দ্ৰৰ সংখ্যা হৈছে ৯১১টা।

একেদৰে, শোণিতপুৰ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আসন্ন নিৰ্বাচন প্ৰক্ৰিয়াত নিয়োজিত প্ৰথম পোলিং বিষয়াৰ প্ৰশিক্ষণ কাৰ্যসূচী পৰিদৰ্শন কৰে। এই কাৰ্যসূচীত প্ৰায় তেৰশ ৫০ গৰাকী প্ৰশিক্ষাৰ্থীক সামৰি লোৱা হৈছে। অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক ই ভি এম, ভি ভি পি এটি পৰিচালনা কাৰ্যক্ষমতাৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়।

আনহাতে, নিৰ্বাচন সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে হাইলাকান্দি জিলাত আজি বিশেষ সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হয়। পদ্ধতিগত ভোটাৰ শিক্ষণ তথা সজাগতা কাৰ্যসূচীৰ অধীনত শ্ৰীকৃষ্ণন সাৰদা মহাবিদ্যালয়ত এই কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত বাগান অঞ্চলৰ ভোটাৰ তথা নৱ প্ৰজন্মৰ ভোটাৰসকলক ভোটদানৰ প্ৰয়োজনীয়তা সম্পৰ্কে অৱগত কৰা হয়। লগতে ভোটদানৰ সুবিধাৰ্থে নিৰ্বাচন আয়োগে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে তেওঁলোকক অৱগত কৰোৱা হয়।

ইপিনে, শিৱসাগৰ জিলাৰ নিৰ্বাচনী আইকন দিপলীনা ডেকাই জিলাখনত নিৰ্বাচনৰ এটি সজাগতামূলক ভিডিঅ' শ্বুটত অংশগ্ৰহণ কৰে। শিৱসাগৰ জিলাৰ নিৰ্বাচনী শুভংকৰ বি এল অ' বাইদেউৰ চৰিত্ৰ ৰূপায়ণ কৰা গীতটোৰ জৰিয়তে সমাগত নিৰ্বাচনত ৰাইজৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ লগতে ভোটাৰক নিজৰ গণতান্ত্ৰিক অধিকাৰ প্ৰয়োগৰ সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ লগতে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ প্ৰকল্পৰ অধীনত জিলাখনৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ ছাত্ৰীসকলৰ মাজত আল্পনা প্ৰতিযোগিতা আয়োজন কৰা হয়। শিৱসাগৰ নগৰৰ দৌলমুখ চাৰিআলিত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ বিষয় আছিল নিৰ্বাচন, ভোটদান, ভোটাৰ, সজাগতা। জিলাখনৰ একাধিক মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ জৰিয়তে নতুন ভোটাৰসকলক ভোটাধিকাৰ সম্পৰ্কে সজাগ কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০

নিউজিলেণ্ডৰ চাৰিজনীয়া উচ্চস্তৰীয় প্ৰতিনিধিৰ এটা দলে আজি মৰিগাঁও জিলা পৰিদৰ্শন কৰে। প্ৰতিনিধিৰ দলটোৱে ঝাৰগাঁৱৰ কৃষিবিজ্ঞান কেন্দ্ৰত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড০ বিদ্যুৎ চন্দন ডেকাৰ উপস্থিতিত জিলা কৃষি বিষয়া আৰু বিশেষজ্ঞসকলৰ সৈতে মত-বিনিময় কৰে। এই অনুষ্ঠানত অসমৰ কৃষি ব্যৱস্থা আৰু জলবায়ু, গুণগত মানৰ বীজ উৎপাদন, কৃষকৰ আয়, উৎপাদন বৃদ্ধি, বজাৰ সংযোজন, অত্যাধুনিক যন্ত্ৰৰ ব্যৱহাৰ আদি বিষয়ত আলোকপাত কৰা হয়। প্ৰতিনিধি দলটোক আধুনিক কৃষিযন্ত্ৰৰ দ্বাৰা ধান, মাকৈৰ বীজ ৰোপণ প্ৰক্ৰিয়া, বীজ উৎপাদন প্ৰক্ৰিয়া আদি কাৰিকৰী মাধ্যমেৰে প্ৰদৰ্শন কৰা হয়।

০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

০০০০

সমাপ্ত